**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-04-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। ৰাষ্ট্ৰপতি, উপ-ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীয়ে ব'হাগ বিহু, বৈশাখী, পুথান্দুকে ধৰি উৎসৱসমূহৰ বাবে শুভেচ্ছা জ্ঞাপন কৰিছে।

২। অসমবাসীৰ বাপতিসাহোন ৰঙালী বিহুৰ প্ৰথম দিনটো আজি গৰু বিহু হিচাপে ৰাজ্যজুৰি উদযাপন কৰা হৈছে।

৩। নীতি প্ৰণয়ন আৰু সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত মহিলাসকলৰ সক্ৰিয়তাই বিকশিত ভাৰতৰ যাত্ৰা শক্তিশালী কৰিব বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰিছে।

৪। পোষণ ট্ৰেকাৰ মোবাইল এপ্লিকেচনৰ জৰিয়তে দেশৰ ১৪ লাখ অংগণৱাড়ী কেন্দ্ৰ আৰু প্ৰায় ৯ কোটি হিতাধিকাৰীক নিৰীক্ষণ কৰি থকা হৈছে।

আৰু

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি চেন্নাই এম এ চিদাম্বৰম ষ্টেডিয়ামত চেন্নাই ছুপাৰ কিংছ কলকাতা নাইট ৰাইডাৰ্ছৰ মুখামুখি হ'ব।

0000000

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু উপ-ৰাষ্ট্ৰপতি চিপি ৰাধাকৃষ্ণনে ব'হাগ বিহু, বৈশাখী, বিষু, বিযুব, পহিলা বৈশাখ, মেষাদী, বৈষাখাদী আৰু পুথান্দু উপলক্ষে দেশৰ জনসাধাৰণৰ লগতে প্ৰবাসী ভাৰতীয়সকললৈ শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে দেশৰ বিভিন্ন প্ৰান্তত কৃষি কাৰ্যৰ আৰম্ভণিৰ সৈতে জড়িত এই উৎসৱসমূহ উলহ-মালহেৰে পালন কৰা হৈছে। শ্ৰীমতী মুৰ্মুৱে কয়, যে এই উৎসৱসমূহৰ জৰিয়তে জনসাধাৰণে মাতৃস্বৰূপা ধৰিত্ৰী আৰু অন্নদাতা কৃষকসকলৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰে। এই উৎসৱসমূহৰ মাজতে দেশৰ চহকী সাংস্কৃতিক ঐতিহ্য, কৃষি পৰম্পৰা আৰু বৈচিত্ৰৰ মাজত ঐক্যৰ বাৰ্তা প্ৰতিফলিত হয় বুলি তেওঁ উল্লেখ কৰে। এনে উৎসৱসমূহে সকলোৰে জীৱনলৈ সুখ, সমৃদ্ধি লৈ অহাৰ লগতে সমাজ আৰু দেশৰ হকে কাম কৰিবলৈ জনসাধাৰণক উৎসাহিত কৰিব বুলি শ্ৰীমতী মুৰ্মুৱে আশা প্ৰকাশ কৰে। উপ-ৰাষ্ট্ৰপতি শ্ৰী ৰাধাকৃষ্ণনে কয়, যে এই প্ৰাণৱন্ত উৎসৱসমূহে এক ভাৰত শ্ৰেষ্ঠ ভাৰতৰ বাণীকে প্ৰতিফলিত কৰে। এনে ধৰণৰ উদযাপনে কৃষি কাৰ্যৰ সূচনা কৰাৰ লগতে মানুহ, প্ৰকৃতি আৰু পৰম্পৰাৰ মাজত থকা বান্ধোন শক্তিশালী কৰা বুলি তেওঁ উল্লেখ কৰে। উৎসৱ পালনে দেশৰ জনসাধাৰণৰ মাজত শান্তি, সম্প্ৰীতিৰ মনোভাব জগাই তুলি নতুন আশাৰ সঞ্চাৰ কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ব'হাগ বিহু, বৈশাখী, পুথান্দু আৰু মহা বিষুব সংক্ৰান্তি উপলক্ষে জনসাধাৰণক শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যম যোগে দিয়া বাৰ্তাত শ্ৰী মোদীয়ে কয়, যে এই উৎসৱসমূহে কৃতজ্ঞতাবোধ, নতুনত্ব আৰু আশাৰ সঞ্চাৰ কৰাৰ লগতে ৰাষ্ট্ৰক অন্ন যোগান ধৰি অহা কৃষকসকলৰ কঠোৰ পৰিশ্ৰমক মূল্যায়ণ কৰে। বৈশাখীৰ গভীৰ আধ্যাত্মিক তাৎপৰ্য আছে বুলি উল্লেখ কৰি তেওঁ কয়, যে এই সময়তে শ্ৰীগুৰু গোবিন্দ সিঙে খালচা পন্থৰ প্ৰতিষ্ঠা কৰিছিল। শিখ ধৰ্মগুৰুসকলৰ শিকনীয়ে এখন উন্নত সমাজ গঢ়াৰ বাবে সকলোকে প্ৰেৰিত কৰি আহিছে বুলি তেওঁ উল্লেখ কৰে। শ্ৰী মোদীয়ে তামিল নৱবৰ্ষৰ পুথান্দু উপলক্ষে জনসাধাৰণক শুভেচ্ছা জ্ঞাপন কৰে। অনাগত বছৰটো সকলোৰে বাবে সুখ, সাফল্য আৰু সু-স্বাস্থ্যৰে আনন্দময় হ'ব বুলি তেওঁ আশা প্ৰকাশ কৰে। পুথান্দু উপলক্ষে শ্ৰী মোদীয়ে উপৰাষ্ট্ৰপতি ভৱনলৈ গৈ উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনক সাক্ষাৎ কৰি শুভেচ্ছা জ্ঞাপন কৰে। সামাজিক মাধ্যম যোগে দিয়া বাৰ্তাত শ্ৰী ৰাধাকৃষ্ণনে কয়, যে এই সাক্ষাৎকালত পুথান্দু উৎসৱে পৰম্পৰা আৰু আধ্যাত্মিকতা বজাই ৰাখি সামাজিকভাৱে একগোট হৈ থকাৰ বাবে পূৰ্বপুৰুষসকলৰ জ্ঞান আৰু প্ৰয়াসৰ কথা আলোচনা কৰা হয়।

০০০০০০

অসমবাসীৰ বাপতিসাহোন ৰঙালী বিহুৰ প্ৰথম দিনটো আজি গৰু বিহু হিচাপে ৰাজ্যজুৰি উদযাপন কৰা হৈছে। এই উপলক্ষে পুৱাৰে পৰা নৈৰ ঘাট আৰু খাল-বিলসমূহত গঞা ৰাইজে গোহালিৰ গৰুসমূহ নোৱাই-ধোৱাই বছৰটোলৈ গোধনৰ শ্ৰীবৃদ্ধি কামনা কৰিছে। ৰঙালী বিহু উপলক্ষে ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যবাসীক বিহুৰ শুভেচ্ছা জনাইছে।

কাইলৈ মানুহ বিহুৰ দিনা হেঁপাহৰ বিহুৱান আগবঢ়াই প্ৰিয়জন তথা আত্মীয়স্বজনক বিহুৰ ওলগ জনোৱা হ'ব। অসমীয়া নতুন বছৰটিক আদৰাৰ বাবে ৰাজ্যৰ প্ৰান্তে প্ৰান্তে জনসাধাৰণে প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। ৰাজ্যজুৰি ঢোল-পেঁপা-গগনাৰ মাতত নান্দনিক পৰিৱেশৰ সৃষ্টি হৈছে। গ্ৰামাঞ্চলৰ লগতে চহৰাঞ্চলতো বিহু হুঁচৰিৰ আখৰা সম্পূৰ্ণ হৈছে। ৰঙালী বিহু উৎসাহ-উদ্দীপনাৰে উদযাপন কৰাৰ অৰ্থে ৰাজ্যৰ ঠায়ে ঠায়ে অনুষ্ঠিত বিহু আৰু জনগোষ্ঠীয় নৃত্য তথা লোকবাদ্য বাদনৰ কৰ্মশালাসমূহ সমাপ্ত হৈছে। বিভিন্ন বিহু কমিটীয়ে বিশ্ব বৰেণ্য শিল্পী ড০ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উপলক্ষে এটা দিন সুধাকণ্ঠৰ নামত উৎসৰ্গা কৰাৰ লগতে প্ৰাণৰ শিল্পী জুবিন গাৰ্গলৈও শ্ৰদ্ধা নিবেদিব। ১৯৫২ চনতে প্ৰতিষ্ঠা হোৱা লতাশিলৰ গুৱাহাটী বিহু সন্মিলনীয়ে এইবেলি মহাৰজত জয়ন্তী পালন কৰিব। চাৰিদিনীয়া কাৰ্যসূচীৰে আয়োজন কৰা এইবাৰ এটা দিন জুবিন গাৰ্গৰ নামত উৎসৰ্গা কৰিব বুলি বিহু সন্মিলনীৰ উদযাপন সমিতিয়ে প্ৰকাশ কৰিছে।

গৰুবিহু উপলক্ষে ৰাজ্যৰ ভিন্ন প্ৰান্তত পৰম্পৰাগতভাৱে মাহ, হালধী আৰু বেঙেনা খুৱাই গৰুক গা ধুৱাইছে। শ্ৰীভূমি জিলাৰ বৰগুল গাঁৱত পুৱাই পৰম্পৰাগতভাৱে গৰু বিহু পালন কৰা হৈছে। বৰপেটা জিলাৰ ভিন্ন প্ৰান্তত গৰুবিহু উদযাপন কৰা হৈছে। যোৰহাট, মাজুলী, শিৱসাগৰ, চৰাইদেউ, ডিব্ৰুগড়, নলবাৰী, বৰপেটা, বাক্সা আদি জিলাতো পৰম্পৰাগতভাৱে গৰু বিহু পালন কৰা হৈছে। চৰাইদেউ জিলাত আজি উলহ-মালহেৰে গৰু বিহু পালন কৰা হৈছে।

বিগত বৰ্ষৰ দৰে ব'হাগক আদৰিবলৈ এইবাৰো সদৌ গুৱাহাটী ছাত্ৰ সন্থাই আজি জজ খেলপথাৰত মুকলি বিহু অনুষ্ঠিত হৈছে। এই অনুষ্ঠানত ৰাজ্যখনলৈ সুনাম কঢ়িয়াই অনা কেইবাগৰাকীও বিশিষ্ট ব্যক্তিক

সদৌ অসম ছাত্র সন্থাৰ তৰফৰ পৰা সম্বৰ্ধনা জনাবলৈ লোৱা হৈছে। এই অনুষ্ঠানত ৰাজ্যখনৰ কেইবাটাও প্ৰখ্যাত বিহু হুঁচৰি দলৰ লগতে জনগোষ্ঠীয় সাংস্কৃতিক দলে অনুষ্ঠান পৰিৱেশন কৰিছে।

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ চৌহদতো আজি উলহ-মালহেৰে ৰঙালী বিহু উদযাপন কৰা হৈছে। এই উপলক্ষে পুৱাৰে পৰাই বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হৈছে। পুৱাই বিহুৰ পতাকা উত্তোলন কৰাৰ লগতে মুকলি বিহু আৰু পিঠা-পনা, জলপান আদিৰো ব্যৱস্থা কৰা হৈছে।

০০০০০০

বাবা চাহেব ড০ বি আৰ আম্বেদকাৰৰ জয়ন্তী উপলক্ষে আজি দেশৰ ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে গুজৰাটৰ গান্ধী নগৰৰ লোক ভৱনত তেওঁলৈ শ্ৰদ্ধাৰ্ঘ অৰ্পন কৰে। উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণন, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, লোক সভাৰ অধ্যক্ষ ওম বিৰলা, ৰাজ্যসভাৰ বিৰোধী দলৰ নেতা মল্লিকাৰ্জুন খাৰ্গে, কেন্দ্ৰীয় মন্ত্ৰী তথা সংসদ ভৱনৰ সদস্যসকলেও আম্বেদকাৰ জয়ন্তী উপলক্ষে সংসদ ভৱনৰ প্ৰেৰণা স্থলত থকা ড০ বি আৰ আম্বেদকাৰৰ সমাধিত শ্ৰদ্ধা নিবেদন কৰে।

০০০০০০০০০

কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে বৈশাখী উপলক্ষে দেশৰ জনসাধাৰণক শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাৰ জৰিয়তে তেওঁ কয়, যে বৈশাখীৰ এই উৎসৱ হৈছে দেশৰ খেতিয়কসকলৰ উন্নতিৰ প্ৰতিক কিয়নো এই সময়ছোৱাতে তেওঁলোকে নতুন ফচল উৎপাদনৰ আনন্দৰে ৰঙীয়াল হৈ থাকে। শ্ৰীশ্বাহে লগতে খালচা সকলৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে তেওঁলোকলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। তেওঁ কয়, যে এই দিনটোৱে শ্ৰীগুৰু গোবিন্দ সিং জীৰ তত্বাবধানত প্ৰতিষ্ঠা হোৱা খালচা সম্প্ৰদায়ৰ সৃষ্টি কৰ্মৰ বিষয়ে বিষয়ে সুৰৰাই দিয়ে। তেওঁ লগতে কয়, যে এই স্বৰ্গীয় উৎসৱে সকলোকে নিৰ্ভয়, সত্য আৰু শুদ্ধ পথেদি আগবাঢ়ি যাবলৈ অনুপ্ৰাণিত কৰে।

০০০০০০০০০

মহিলাসকলে নীতি প্ৰণয়ন আৰু সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত সক্ৰিয় হ'লেহে ২০৪৭ চনৰ বিকশিত ভাৰতৰ যাত্ৰা শক্তিশালী হ'ব বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মত প্ৰকাশ কৰিছে। ভাৰতীয় নাৰী শক্তিলৈ লিখা এখন পত্ৰত শ্ৰী মোদীয়ে কয়, যে অহা ১৬ এপ্ৰিলৰ পৰা সংসদৰ তিনিদিনীয়া বিশেষ অধিৱেশনত নাৰী শক্তি বন্দন অধিনয়ম শীৰ্ষক এটা গুৰুত্বপূৰ্ণ সাংবিধানিক সংশোধনী সন্দৰ্ভত আলোচনা অনুষ্ঠিত হ'ব। এই অধিৱেশনত এই বিধেয়ক গৃহীক হ'ব বুলি প্ৰধানমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। তেওঁ কয়, যে দেশৰ মহিলাসকল বিকশিত ভাৰত গঢ়াৰ ক্ষেত্ৰত অংশগ্ৰহণৰ বাবে অধিক সুযোগ লাভ কৰিবলৈ অগ্ৰসৰ হোৱাৰ পথত আনন্দিত হৈছে।

প্ৰধানমন্ত্ৰীয়ে কয়, যে ২০২৯ চনৰ লোকসভা নিৰ্বাচন আৰু ৰাজ্যৰ বিধানসভাসমূহৰ নিৰ্বাচনত মহিলাৰ বাবে আসন সংৰক্ষিত হ'লে দেশৰ গণতান্ত্ৰিক ব্যৱস্থা অধিক শক্তিশালী আৰু প্ৰাণৱণ্ট হ'ব। এই বিধেয়ক গৃহীত কৰণত হোৱা অনাহক বিলম্ব দুৰ্ভাগ্যজনক আৰু মহিলাসকলৰ বাবে অন্যায় হিচাপে পৰিগণিত হ'ব বুলি তেওঁ কয়। দেশৰ নীতি নিৰ্ধাৰণ প্ৰক্ৰিয়াত মহিলাৰ কণ্ঠ শক্তিশালী হ'ল গণতন্ত্ৰৰ কণ্ঠও শক্তিশালী হ'ব বুলি শ্ৰী মোদীয়ে মত প্ৰকাশ কৰে।  তেওঁ শীঘ্ৰে এই অধিনিয়ম কাৰ্যকৰী কৰাৰ বাবে সকলোৰে সক্ৰিয় হ'বলৈ আহ্বান জনায়।

০০০০০০০০০

পোষণ অভিযানৰ অন্তৰ্ভুক্ত পোষণ ট্ৰেকাৰ মোবাইল এপ্লিকেচনৰ জৰিয়তে দেশৰ ১৪ লাখ অংগণৱাড়ী কেন্দ্ৰ আৰু প্ৰায় ৯ কোটি হিতাধিকাৰীক নিৰীক্ষণ কৰি থকা হৈছে। উল্লেখযোগ্য যে কেন্দ্ৰীয় চৰকাৰৰ

অন্তৰ্গত পোষণ অভিযান হৈছে সমন্বয়, প্ৰযুক্তি আৰু সামূহিক অংশীদাৰিত্বৰে পৰিপুষ্টিৰ উন্নতিৰ দিশত কাম কৰা এটা প্ৰকল্প। ২০২১ চনত আৰম্ভ হোৱা এই অভিযানৰ অন্তৰ্গত পোষণ ট্ৰেকাৰ নামৰ এই মোবাইল এপ্লিকেচনটোৱে আন্তঃগাঁঠনিৰ লগতে সেৱাৰ গুণাগুণ নিৰীক্ষণ কৰে। এই এপ্লিকেচনৰ জৰিয়তে বৰ্তমান সময়ত উপলব্ধ অংগণৱাড়ী সেৱাসমূহ, নতুন অংগণৱাড়ী কেন্দ্ৰসমূহৰ সবিশেষ আৰু প্ৰতিদিনে কেন্দ্ৰলৈ অহা ল'ৰা-ছোৱালীৰ হিচাপ ৰখা হয়। উল্লেখযোগ্য যে মহিলাসবলীকৰণ মন্ত্ৰালয়ে জানিবলৈ দিয়া মতে এই মোবাইল এপ্লিকেচনে বৰ্তমান গৰ্ভৱতী মহিলা, দুগ্ধপান কৰি থকা মহিলাসকল আৰু লগতে ৬ বছৰৰ বয়সলৈকে ল'ৰা-ছোৱালী তথা কিশোৰীসকলৰ তথ্য সামৰি লয়।

ooooooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি চেন্নাই এম এ চিদাম্বৰম ষ্টেডিয়ামত চেন্নাই ছুপাৰ কিংছ কলকাতা নাইট ৰাইডাৰ্ছৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

oooooooo

সমাপ্ত